থকা পুতুল চিপাহী একেকোবে জঁাপ মাৰি আহি ৰাজখোৱাৰ সন্মুখত থিয় দিলেহি।

“ছাৰ।”

“লকআপত কেইটা মানুহ আছে?” অ’ছি ৰাজখোৱাই বেৰত ওলমাই থোৱা দুহতীয়া ৰাইডাংডাল হাতত তুলি ল’লে। অ’ছি বাবুৰ ৰূপ দেখি পুতুল চিপাহীৰো পিলাই চমকি গ’ল। মাজে মাজে ৰাজখোৱাৰ জঁক উঠে। গুৰি কাৰণ কি পুতুল চিপাহীয়ে কোনোদিনেই গমি চাবলৈ চেষ্টা কৰা নাই। জঁকটো উঠিলেই অ’ছি বাবুৱে তাক এইদৰে চিঞৰি লকআপত কেইটা আছে খবৰ লয়। ৰাজখোৱাৰ কাঢ়া হুকুম। প্ৰত্যেক দিনাই সন্ধিয়া য’ৰে-ত’ৰে পৰা দুই-চাৰিটাক ধৰি আনি লকআপত ৰাখিবই লাগিব। ৰাজখোৱাৰ মুড ভাল থাকিলে কোনোবাদিনা পুতুল চিপাহীক কয়—“হেৰ’, পুলিছ থানাৰ লকআপত দুই-চাৰিটা যদি নাথাকে থানাখনেই জানো নাইকিয়া যেন নালাগে?” কথাটো সিও ভাবে। হাকিমৰ যেনেকৈ ফাইলটো, বেপাৰীৰ যেনেকৈ চন্দুকটো, চিকাৰীৰ যেনেকৈ বন্দুকটো, পুলিছৰ তেনেকৈ লকআপটো; সেইটো ভৰি নাথাকিলে পুলিছ আৰু বাটৰ ভিকহুৰ মাজত পাৰ্থক্যনো থাকিব কিমান? কথাটো আনে নুবুজিব, পুতুল চিপাহীয়ে বুজে। বাটৰ ভিকহুৱে হাতৰ টেমাটো আগবঢ়াই দি হাটৰুৱা-বাটৰুৱাৰ ভিক্ষা বিচাৰে, পুলিছে লকআপৰ ভয় দেখুৱাই চোৰ-ডকাইত-লম্পট-বেশ্যায়েই নহয়, ভাল ভাল মানুহৰো পকেট উদং কৰি দিয়ে। অ’ছি ৰাজখোৱাই নহয় সিহঁতেও বিচাৰে, লকআপটো নিতৌ ভৰি থাকক। লকআপ ভৰা মানেই সিহঁতৰো পকেট গধুৰ হোৱা। ৰাতিটোৰ ভিতৰতে তাৰে যিকেইটাই দাবী কৰা মতে ধন ঢালিব পাৰে সিহঁত অক্ষতে উভতি যায়। যিবোৰে নোৱাৰে... অস। থাকক সেইবোৰ কথা। পুতুল চিপাহীয়ে বেবেৰিবাং কথাবোৰ ভাবিবলৈ এৰি লকআপৰ ফালে দৌৰ মাৰিলে।

অ’ছি বাবুৰ এইটো মূৰ্তি দেখিলে পুতুলৰ দৰে ঘাগু চিপাহীৰো দম ছুটি যায়। যিদিনাই ৰাজখোৱাই লকআপত কেইটা মানুহ আছে বুলি খবৰ লয় সেইদিনাই যে থানাত ধুমুহাৰ লগতে শিল-বৰষুণো হ’ব সেই বিষয়ে সি নিশ্চিত হয়। আজিও সি দৌৰ মাৰি গৈ চিৰস্তাদাৰৰ ওচৰ পালেগৈ।

“কি হ’ল, একেবাৰে ভোগেশ্বৰ বৰুৱাৰ দৌৰ মাৰি আহিলা যে?” চিৰস্তাদাৰে মালখানাৰ টোকাবহীত কিবা টুকি আছিল। পেনটোকে ছিগাৰেটৰ নিচিনাকৈ দুই ওঁঠৰ মাজত চেপি ধৰি সুধিলে চিৰস্তাদাৰে।

“কি আৰু হ’ব? ছাৰে লকআপত কেইটা আছে সুধিছে?”

“এঃ। বিপদেই হ’ল। মই কাহানিবাই যাব লাগিছিল। এই এণ্ট্ৰিকেইটা কৰি যাওঁ বুলিহে বহি আছিলোঁ। অযথা মানুহৰ চিঞৰ-বাখৰ, কেঁকনি-গেঁথনিৰ লগতে শাওপাতসোপা লৈ নিশা উজাগৰে কটাব লাগিব। যা ক’গৈ, তিনিটা আছে। সন্ধিয়াৰ পাছত টাউনবাবুৱে থৈ গৈছে। আহিহে এণ্ট্ৰি কৰিব বুলি কৈছে।” চিৰস্তাদাৰে জানে, ধৰি অনা মানুহৰ নাম এণ্ট্ৰি নকৰাৰ কাৰণটোও হ’ল পইচা ঘটা। পাঁচটামানক আনি সন্ধিয়া লকআপত সুমুৱাব পাৰিলে মাজনিশালৈ সিহঁতক জামিনত দিয়াৰ ভাওনাখন কৰিয়েই পঞ্চাছ-ষাঠি হাজাৰ আমদানি হয়। ভাগ সকলোৱে পায়। কিন্তু যিদিনা অ’ছি বাবুৰ জঁক উঠে সেইদিনা সেইবোৰ সকলো পণ্ড হয়। পইচা ঘটা দূৰৰ কথা, আধামৰা হোৱা দুটামানক লৈ থানাখনৰ প্ৰতিটো প্ৰাণীয়ে শংকাত ৰাতিটো কটায়, ‘কাষ্টডিয়েল ডেথ’ৰ দৰে পৰিস্থিতিৰ সন্মুখীন হ’বলগীয়া হয় বুলি।

পুতুল চিপাহীয়ে গৈ ক’বলগা নহ’লেই। ৰাজখোৱা নিজেই আহি চিৰস্তাদাৰৰ ওচৰ পালেহি।

“নাম-ধাম লিখিছ নেকি?” চিৰস্তাদাৰৰ সন্মুখত ৰৈ সুধিলে অ’ছিয়ে। চিৰস্তাদাৰে মূৰ জোকাৰিলে—“নাই লিখা।”

“ভাল কথা। এটাক ইণ্টাৰ’গেশ্যন ৰুমলৈ লৈ আহ।” শেষৰ কথাষাৰ ৰাজখোৱাই পুতুলক উদ্দেশ্য কৰি ক’লে।

কাৰো উত্তৰলৈ বাট নাচাই অ’ছি গমগমাই ইণ্টাৰ’গেশ্যন ৰুমত সোমাল। চিৰস্তাদাৰে হাজোতৰ তলা খুলি দিলে। সন্মুখত পোৱাটোকে নি পুতুল চিপাহীয়ে অ’ছিৰ ওচৰ পোৱালে।

“তই দুৱাৰখন জপাই বাহিৰত পহৰা দিবি। কাকো আহিবলৈ নিদিবি। ইয়াৰ দুইখন হাত পিছফালে নি বান্ধি দে।” পুতুলে আদেশমতে কাম কৰিলে। দুৱাৰখন জপাই সি ইণ্টাৰ’গেশ্যন ৰুমটোৰ বাহিৰতে টুল এখন লৈ বহি পৰিল।

থানাৰ ইণ্টাৰ’গেশ্যন ৰুম মানে আশী বৰ্গফুটীয়া কোঠা এটা। কংক্ৰিটৰ বেৰত বহুদিন ধৰি ৰং পানী নপৰাৰ কাৰণে বিভিন্ন দাগ লাগিছে। ৰাস্তাৰ কুকুৰৰ গাত ফাপৰে ধৰা বেমাৰ লগাৰ দৰে বেৰখনৰ গাতো পানী বিয়পা বেমাৰ লাগিছে। গোটেই ৰুমটোতে পচা পচা গোন্ধ এটা বিয়পি আছে। কাঠৰ টেবুলখনৰ বিপৰীতে হাতল থকা কাঠৰ চকী এখন। চকীখনত চামৰাৰ পাতল কুচন লগোৱা আছে। অ’ছি ৰাজখোৱাই চকীত বহি বন্দী ল’ৰাটোৰ মুখৰ ফালে চালে। ল’ৰাটো বয়সত বাইছ-তেইছ বছৰতকৈ ডাঙৰ হ’ব নালাগে। কিন্তু জীৱন যে কিমান কঠোৰ সেই কথা সি ইতিমধ্যে শিকি গৈছে। গাৰ খহটা ছাল আৰু এমূৰ ৰঙা চুলিৰে হনু ওলোৱা মুখখনেই তাৰ প্ৰমাণ। ৰাজখোৱাই ইহঁতক দেখিলেই চিনি পায়। ৰে’ল ষ্টেশ্যন, চহৰখনৰ পাইকাৰী বজাৰ, য’তে-ত’তে কাঠফুলাৰ দৰে গজি উঠা বস্তিবোৰ, অঞ্চলটোৰ একমাত্ৰ গণিকালয়খন, সৰতে ইহঁতক দেখা যায়। সৰ ধৰণৰ কাম কৰে ইহঁতে। পেছেঞ্জাৰৰ মাল কঢ়িয়ায়, ৰে’লৰ গুদামৰ বস্তু লাডে, দবা ভাঙে, গণিকাৰ দালালি কৰে, ক’লা বেপাৰীৰ গুদাম ৰখীয়াৰ কাম কৰে, মদ-ভাং-কানি-ড্ৰাগছ যিহকে পায় তাকে খায়, সুবিধা পালে সেইবোৰৰ কিনা-বেচাতো হাত দিয়ে। মুঠতে চহৰখনৰ তলপেটৰ বাসিন্দা ইহঁতে নকৰা কাম, নোখোৱা বস্তু, নকৰা নিচা নাই। দৰকাৰ পৰিলে ইহঁতে চুৰি-ডকাইতি, মাৰপিট-হত্যা, আদিৰ দৰে অপৰাধবোৰো দ্বিতীয়বাৰ নভবাকৈ কৰিব পাৰে। থানাত ইহঁতৰ নাম লিখা লিষ্ট একোখনো থাকে। ‘বেড কেৰেক্টাৰ’ বা চলতি ভাষাত বিছি ৰেজিষ্টাৰ নামৰ এই লিষ্টখনত নামৰ লগতে ইহঁত কেনে ধৰণৰ অপৰাধৰ লগত জড়িত তাৰ এটা সংক্ষিপ্ত বিৱৰণো থাকে। ৰাজখোৱাৰ খংটোৱে ইহঁতক দেখিলেই টিঙিচকৈ মাৰে। চহৰখনৰ আটাইতকৈ বেয়া ঠাইবোৰত ইহঁত থাকে, আটাইতকৈ বেয়া কামবোৰ কৰে, আটাইতকৈ বেয়া খাদ্যবোৰ খায়। ‘চালা, নৰকৰ কীট’। তেওঁ মুখৰ ভিতৰতে উচ্চাৰণ কৰিলে। অৱশ্যে ইহঁতৰ দৰকাৰো আছে। পলিটিকেল পাৰ্টিবোৰে ডাঙৰ মিটিং পাতিলে থানাবোৰক খবৰ দিয়ে। যিমান পাৰে মানুহ গোটাই দিব লাগে মিটিঙৰ কাৰণে। গাঁৱৰ মানুহ আনিবলৈ থানাবোৰে গাড়ী দিয়ে। চহৰত থকা ইহঁতক থানাৰ চিপাহীয়ে গৈ আদেশ শুনাই আহে—“সময়ত গৈ মিটিঙত হাজিৰা দি আহিবি। নহ’লে...।” চিপাহীয়ে পিছৰখিনি কোৱাৰ দৰকাৰ নহয়। নিষিদ্ধ ঠাইত আজন্ম থকা সিহঁতে জানে থানাৰ হুকুম নামানিলে কি হ’ব পাৰে। নিৰ্দিষ্ট দিনত সিহঁতে গৈ সভাস্থলীত ভিৰ কৰে। ডেনড্ৰাইট, ভাং, চুলাই, মেনড্ৰেক্স, যি পায় তাকেই খাই দিনটোৰ কাৰণে মচগুল হৈ থাকিব পৰাৰ ব্যৱস্থা সিহঁতে নিজেই কৰি লয়।

ৰাজখোৱা বহাৰ পৰা থিয় হ’ল। আধাখোৱা ছিগাৰেটটোৰ জ্বলন্ত অংশটোলৈ খন্তেক চাই থাকিল। দুয়োখন হাত পিছফালে বান্ধি থোৱা বন্দীটোৱেও তাৰ হালধীয়া চকু দুটাৰে ৰাজখোৱাৰ আঙুলিৰ ফাঁকত জ্বলি থকা ছিগাৰেটৰ টুকুৰাটোৰ ফালে চালে। বৰফ শীতল শিহৰণ এটা তাৰ শুকান শৰীৰটোৰেদি পাৰ হৈ গ’ল। তাৰ যৌনাংগত হেঁচা পৰিল। বৰকৈ পেচাব কৰিব লাগিল তাৰ। ৰাজখোৱা দুখোজ আগুৱাই আহিল। বন্দীটোৱে পিন্ধি থকা পুৰণা মলিয়ন জিনছ পেণ্টটোৰ সন্মুখভাগেদি দুটোপাল পানী বিয়পি গ’ল। পাছ মুহূৰ্তত তাৰ হাতৰ মণিবন্ধত সি অনুভৱ কৰিলে তীব্ৰ জালা। তাৰ চিঞৰত পুতুল চিপাহী